**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। বহনক্ষম উন্নয়নৰ লক্ষ্যৰ সূচকাংকৰ ক্ষেত্ৰত অসমে উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। উত্তৰ-পূৰ্বাঞ্চলৰ জলপথসমূহে ৰাষ্ট্ৰ নিৰ্মাণত সবল ভূমিকা গ্ৰহণ কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

৩। অসমৰ বান পৰিস্থিতিৰ সৈতে মুখামুখি হোৱাৰ লগতে বানৰ প্ৰভাৱ কম কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সকলোধৰণৰ সহযোগিতা আগবঢ়াব বুলি ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়াক প্ৰধানমন্ত্ৰীৰ আশ্বাস।

৪। কলিয়াবৰৰ হাতীমূৰাৰ ক'ফাৰ বান্ধৰ কাম এসপ্তাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তৰ ঘোষণা।

*আৰু*

৫। ৰাজ্যত বিগত তিনি বছৰত ১৮৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হৈছে বুলি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ তথ্য প্ৰকাশ।

oooooo

বহনক্ষম উন্নয়নৰ লক্ষ্যৰ সূচকাংকৰ ক্ষেত্ৰত অসমে শেহতীয়াকৈ উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। নিটি আয়োগৰ প্ৰতিবেদনৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীত এই কথা প্ৰকাশ কৰে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এই সূচকাংক ২০১৮ চনৰ ৪৯ৰ পৰা বৃদ্ধি পাই সম্প্ৰতি ৭১ লৈ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে সামগ্ৰিকভাৱে দেশৰ বহনক্ষম উন্নয়নৰ লক্ষ্যৰ সূচকাংকও ৭১ নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি অসমে সম্প্ৰতি দেশৰ আগস্থানপ্ৰাপ্ত ৰাজ্যৰ তালিকাত স্থান লাভ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে, অৰুণোদয় আঁচনি, নিযুত মইনা, এম জি এনৰেগা আদিকে ধৰি ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ ফলতেই এনে উন্নয়ন সম্ভৱপৰ হৈ উঠিছে। অহা দুবছৰৰ ভিতৰত অসমৰ সূচকাংকই ৰাষ্ট্ৰীয় সূচকাংকক অতিক্ৰম কৰাৰ চেষ্টাৰে ৰাজ্য চৰকাৰে কাম কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

নিটি আয়োগৰ তথ্যত লগতে প্ৰকাশ পোৱা মতে ৰাজ্যত দৰিদ্ৰতাৰ হাৰো ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ হ্ৰাস পাইছে। আনহাতে উচ্চ শিক্ষা খণ্ডত তুলনামূলকভাৱে ৰাজ্যখন পিছ পৰি থকাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, যোৱাবাৰ এই খণ্ডটোত সূচকাংক ১৬ দশমিক ৭ হোৱাৰ বিপৰীতে চলিত বৰ্ষত এই সূচকাংক ১৯ লৈ বৃদ্ধি পাব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ কয় যে, মহাবিদ্যালয়সমূহত বিনামূলীয়া নামভৰ্তি, নতুন মহাবিদ্যালয় স্থাপন আদি পদক্ষেপৰ জৰিয়তে এইক্ষেত্ৰত সফলতা লাভ কৰিব পৰা হ'ব।

oooooo

উত্তৰ-পূৰ্বাঞ্চলৰ জলপথসমূহে ৰাষ্ট্ৰ নিৰ্মাণত সবল ভূমিকা গ্ৰহণ কৰি আহিছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। নাগালেণ্ডৰ জলপথৰ সম্ভাৱনা সক্ষম কৰাৰ লক্ষ্যৰে ডিমাপুৰত কালি অনুষ্ঠিত অংশীদাৰ সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই মত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে ১০১ নম্বৰ টিজু-জুংকি ৰাষ্ট্ৰীয় জলপথৰ উন্নয়নৰ কথা ঘোষণা কৰি কয় যে টিজু-জুংকি নদীক নাগালেণ্ডৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ব্যৱহাৰ কৰা হ'ব, যাতে এই জলপথৰ জৰিয়তে সামগ্ৰী আৰু যাত্ৰী পৰিবহণ সম্ভৱ হয়। তেওঁ ভাৰতীয় আভ্যন্তৰীণ জলপথ কৰ্তৃপক্ষ আৰু নাগালেণ্ড চৰকাৰৰ পৰিবহণ বিভাগক সন্মিলিতভাৱে নৌ পৰিবহণৰ সম্ভাৱনা অধ্যয়ন কৰিবলৈ আহ্বান জনায়। শ্ৰী সোণোৱালে দৈয়া হ্ৰদৰ পৰ্যটন সম্ভাৱনা বিকাশৰ লগতে ৰ' পেক্স ফেৰীৰ সম্ভাৱনা অধ্যয়নৰ বাবেও পদক্ষেপ লোৱাৰ কথা ঘোষণা কৰে। ইয়াৰ ফলত ৰাজ্যখনত পৰ্যটনত ইতিবাচৰ প্ৰভাৱ পৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। সন্মিলনত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ', উপ-মুখ্যমন্ত্ৰী য়ান্থুংগো পেটন, পৰ্যটন মন্ত্ৰী টেমজেন ইমনা এলং, লোকসভাৰ সাংসদ এছ এছ জামিৰ, ৰাজ্যসভাৰ সাংসদ ফাংগনন কন্যাক, আভ্যন্তৰীণ জলপথ কৰ্তৃপক্ষৰ উপাধ্যক্ষ সুনীল সিং, ৰাজ্য চৰকাৰৰ বিধায়ক আৰু উপদেষ্টা, পৰিবহণ বিভাগৰ আয়ুক্ত আৰু সচিবৰ লগতে কেন্দ্ৰ আৰু নাগালেণ্ড চৰকাৰৰ অন্যান্য উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজ্যপালগৰাকীয়ে শ্ৰী মোদীক ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। আলোচনাৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে বান পৰিস্থিতিৰ সৈতে মুখামুখি হোৱাৰ লগতে বানৰ প্ৰভাৱ কম কৰাৰ ক্ষেত্ৰত সহায়ৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক সদায় সহযোগিতা আগবঢ়াই আহিব বুলি প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে বানপীড়িত লোকসকলৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক সহায়-সহযোগিতা আগবঢ়াব বুলিও শ্ৰী কাটাৰীয়াক আশ্বাস দিয়ে।

০০০০০০

শৈশৱৰ ডায়েৰীয়া সমস্যা নিয়ন্ত্ৰণ আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ স্বচ্ছ ভাৰত মিছন গ্ৰামীণে যোৱা ১ জুলাইৰ পৰা ৩১ আগষ্টলৈ ডায়েৰীয়া নিৰ্মূল অভিযান কাৰ্যসূচী আৰম্ভ কৰিছে। বিশেষকৈ বানৰ পাছত ডায়েৰীয়া প্ৰতিৰোধ আৰু চিকিৎসাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অভিযানৰ অধীনত বানৰ পাছত ডায়েৰীয়াৰ পৰা হাত সাৰিবৰ বাবে পানীৰ উৎসসমূহ পৰিষ্কাৰ তথা বীজাণুমুক্ত কৰা, বন্ধ হৈ থকা পানীত গা-ধোৱা পৰিহাৰ কৰা, পৰিষ্কাৰ সুৰক্ষিত খোৱাপানী ব্যৱহাৰ কৰা, বানৰ পাছত বিস্তৃতভাৱে চাফ-চিকুণতা নিশ্চিত কৰাৰ প্ৰতি লক্ষ্য লোৱা হৈছে।

০০০০০০

ওড়িশাৰ পুৰীত কালি ভগৱান জগন্নাথ, বলভদ্ৰ আৰু দেৱী সুভদ্ৰাই গুণ্ডিচা মন্দিৰৰ পৰা জগন্নাথ মন্দিৰলৈ কৰা বহুৰা যাত্ৰা শীৰ্ষক ওভটনি যাত্ৰাৰ সামৰণি পৰে। এই যাত্ৰা প্ৰত্যক্ষ কৰিবলৈ পুৰীত কালি লক্ষাধিক ভক্তৰ সমাগম হয়। ভগৱান বলভদ্ৰৰ তালধবজ নামৰ ৰথখনৰ ওভটনি যাত্ৰা কালি বিয়লি ৩ বাজি ২৫ মিনিটত আৰম্ভ হয়। ইয়াৰ পাছতে দেৱী সুভদ্ৰাৰ দেৱদলন নামৰ ৰথখনে ৪ বজাত ওভটনি যাত্ৰা কৰে। ভগৱান জগন্নাথৰ নন্দীঘোষ

নামৰ ৰথখনৰ ওভটনি যাত্ৰা বিয়লি ৪ বাজি ১৫ মিনিটত আৰম্ভ হয়। বহুড়া যাত্ৰাৰ পাছত কাইলৈ দেৱ-দেৱীসকলৰ নিজ নিজ ৰথতে সুনাবেশা পৰ্ব আয়োজিত হ'ব। অহা বৃহস্পতিবাৰে আৰাধনা পৰ্ব অনুষ্ঠিত হোৱাৰ পাছত অহা শুকুৰবাৰে মূল মন্দিৰৰ গৰ্ভগৃহত ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে ভগৱান জগন্নাথ, বলভদ্ৰ আৰু দেৱী সুভদ্ৰাক পুনৰ অধিষ্ঠিত কৰাবলৈ নীলাদ্ৰী বিজে নামৰ পৰ্ব অনুষ্ঠিত হ'ব।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ৰিপাব্লিকান দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আনুষ্ঠানিকভাৱে মনোনীত কৰা হৈছে। মিলৱাউকিত যোৱা নিশা ৰিপাব্লিকান ৰাষ্ট্ৰীয় কমিটীৰ প্ৰতিনিধিসকলৰ পৰা সংখ্যাগৰিষ্ঠ ভোট লাভ কৰাৰ পাছত তেওঁক আনুষ্ঠানিকভাৱে মনোনীত কৰা হয়। এয়া হ'ল ২০১৬ বৰ্ষত নিৰ্বাচনত জয়লাভ কৰাৰ পাছত আৰু ২০২০ বৰ্ষত জ' বাইডেনৰ বিৰুদ্ধে পৰাজিত হোৱাৰ পাছত ট্ৰাম্পে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ক্ৰমাগত তৃতীয় নিৰ্বাচন। আমেৰিকা যুক্তৰাষ্ট্ৰত অহা নৱেম্বৰত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী মহানগৰীৰ বেটকুছিত উপস্থিত হৈ অঞ্চলটোৰ বাট-পথ, নলা নৰ্দমা আদি পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে স্থানীয় ৰাইজৰ সৈতে তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহ সন্দৰ্ভত আলোচনা কৰে। তেওঁ নিৰ্দিষ্ট সময়ত এই সমস্যাসমূহ সমাধানৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। বেটকুছিৰ শিৰশক্তি নগৰত আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে ভাষণ দিয়ে। এই অনুষ্ঠানত বিধায়ক তৰংগ গগৈ, কমলেক্ষ দে পুৰকায়স্থ, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০

কলিয়াবৰৰ হাতীমূৰাৰ ক'ফাৰ বান্ধৰ কাম এসপ্তাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তই ঘোষণা কৰিছে। হাতীমূৰাৰ ভগ্ন মথাউৰিৰ স্থান পৰিদৰ্শন কৰি কালি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰী মহন্তই কয় যে, হাতীমূৰাৰ ক'ফাৰ বান্ধৰ কাম ইতিমধ্যে ৫০ শতাংশ সম্পূৰ্ণ হৈছে যদিও এতিয়াও ব্ৰহ্মপুত্ৰৰ পানী কম পৰিমাণে কলঙলৈ বৈ আছে। প্ৰকৃতিয়ে কোনো বাধা নিদিলে এসপ্তাহৰ ভিতৰত হাতীমূৰাৰ ব্ৰহ্মপুত্ৰ সংলগ্ন ক'ফাৰ বান্ধৰ মুখ বন্ধ কৰিবলৈ জলসম্পদ বিভাগ সমৰ্থ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা ২ জুলাইত হাতীমূৰাৰ কলং মুখৰ শ্লুইচ্ গে'টৰ সংলগ্ন মথাউৰি ব্ৰহ্মপুত্ৰৰ বানে উটুৱাই নিয়াৰ পিছত নগাঁও জিলাৰ বিভিন্ন অঞ্চল বানৰ কবলত পৰিছিল। ইয়াৰ পাছৰে পৰা ৰাজ্যৰ জলসম্পদ বিভাগে এই ভগা অংশ বন্ধ কৰিবলৈ দিনে-নিশাই কাম কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

দক্ষতা ভাৰত আঁচনিৰ অধীনত দেশত এই পৰ্যন্ত এক কোটি ৪৬ লাখৰো অধিক লোকৰ দক্ষতা বিকশাই তোলা হৈছে বুলি কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি আয়োজিত বিশ্ব যুৱ দক্ষতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, দক্ষতা বিকাশৰ ক্ষেত্ৰত ভাৰতৰ বিশেষ যাত্ৰাৰ অভিজ্ঞতা আছে আৰু ১০ বছৰ পূৰ্বে দক্ষতা বিকাশ আৰু উদ্যমিতাক পৃথক মন্ত্ৰালয় হিচাপে গঠন কৰা হয়। বিগত ১০ বছৰৰ সাফল্যৰ পৰা শিক্ষা গ্ৰহণ কৰি তেওঁৰ মন্ত্ৰালয়ে সৰ্বাত্মক আঁচনি ৰূপায়ণৰ দ্বাৰা ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ যাত্ৰাত অৰিহণা যোগাব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, এই বছৰ বিশ্ব

যুৱ দক্ষতা দিৱসৰ বিষয় হ'ল শান্তি আৰু উন্নয়ন। শান্তি থাকিলেহে উন্নয়ন সম্ভৱ হৈ উঠে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে দক্ষতা বিকাশৰ প্ৰশিক্ষণ গ্ৰহণ কৰা যুৱক-যুৱতীসকলক আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰে।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰাজ্যত বান আৰু খহনীয়া প্ৰতিৰোধৰ বাবে বিগত তিনি বছৰত চৰকাৰে বহুকেইটা পদক্ষেপ গ্ৰহণ কৰা বুলি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰকাশ কৰিছে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ভিতৰত ৰাজ্য চৰকাৰে ১৮৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰাৰ লগতে ৪৪০ কিলোমিটাৰ মথাউৰি পুনৰ নিৰ্মাণ কৰিছে। তদুপৰি ২১৭ কিলোমিটাৰ স্থানত খহনীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। একেদৰে এই সময়ছোৱাত ৬১টা শ্লুইছ গেট নতুনকৈ স্থাপন কৰা বুলি তেওঁ সদৰী কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত ২০৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণৰ বাবে অনুমোদন লাভ কৰা হৈছে বুলিও মন্ত্ৰী শ্ৰী হাজৰিকাই প্ৰকাশ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত বিগত ৪টা বছৰত দেশৰ ক্ষতিগ্ৰস্ত কৃষকক এক লাখ ৬০ হাজাৰ কোটি টকা পৰিশোধ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এই তথ্য প্ৰকাশ কৰি খেতিয়কসকলক ফচল বীমা আঁচনিৰ সৈতে জড়িত হ'বলৈ আহ্বান জনাইছে। এই ক্ষেত্ৰত সংশ্লিষ্ট কৃষকসকলে ব্যৱহাৰ কৰিব পৰা হেল্পলাইন নম্বৰটো হ'ল- 14447। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আঁচনিখন আৰম্ভ কৰাৰে পৰা ৬২ কোটি গৰাকীতকৈও অধিক সংখ্যক কৃষকৰ পৰা আবেদন লাভ কৰাৰ বিপৰীতে ১৯ কোটি ৬৭ লাখতকৈও অধিক কৃষকলৈ ফচলৰ ক্ষতিপূৰণৰ ধন বিতৰণ কৰা হৈছে।

০০০০০০

শিৱসাগৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সদৌ টাই আহোম ছাত্ৰ সন্থাৰ ৩৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ কালি সামৰণি পৰে। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত কালি সন্ধিয়া কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত

অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত বৰ্তমান চৰকাৰে চিন্তা-চৰ্চা কৰি আছে বুলি মন্তব্য কৰে। অনুষ্ঠানত **ৰংপুৰ** নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়।

০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু এন শ্ৰীৰাম বালাজীৰ যুটীটো কাইলৈ হেমবাৰ্গ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত জাৰ্মানীৰ জেকব স্নাইটাৰ আৰু মাৰ্ক বালন'ৰ'ৰ সন্মুখীন হ'ব। ভাৰতীয় যুটীটোৱে পেৰিছ্ অলিম্পিকৰ পূৰ্বে ক্ৰ'ৱেছিয়াৰ উমাগত আন এখন প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰিব। পেৰিছ্ অলিম্পিকৰ পূৰ্বে ক্ৰ'ৱেছিয়াত হ'বলগীয়া প্ৰতিযোগিতাখন বোপন্না আৰু বালাজীৰ বাবে অন্তিমখন প্ৰতিযোগিতা হ'ব।

০০০০০০

ভাৰতৰ সুমিত নাগাল আজি ছুইডেনৰ বাষ্টাড টেনিছ ষ্টেডিয়ামত চলি থকা ছুইডেন অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ এখন খেলত আয়োজক দেশখনৰ এলিয়াছ য়েমাৰৰ সন্মুখীন হ'ব। পুৰুষৰ ডাবলছত ভাৰতীয় ভাৰতীয় খেলুৱৈগৰাকী আৰু পোলেণ্ডৰ কেৰল ড্ৰজেৰিছ্‌কিৰ যুটীটো আজি বিয়লি ফ্ৰান্সৰ আলেকজেন্দ্ৰী মুলাৰ আৰু লুকাভেন এচেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

নিটি আয়োগৰ এছডিজি ইণ্ডিয়া ইনডেক্সৰ তথ্য অনুসৰি দ্ৰুত উন্নয়নশীল ১০ খন ৰাজ্যৰ তালিকাত অসম শীৰ্ষ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। দলত্যাগত উদ্বিগ্ন বিজেপিৰ ৰাজ্যিক নেতৃত্বৰ দলীয় নেতালৈ কঠোৰ নিৰ্দেশ- পৌৰসভাসমূহত আনিব নোৱাৰিব অনাস্থা শিৰোনামৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰিৰ স্থান দিছে। **কা** আন্দোলন সন্মান ৰক্ষা নহ'ল- মাত্ৰ ৮ জনেহে বিচাৰিছে নাগৰিকত্ব এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰাৰ বিপৰীতে একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে **কা**ক লৈ ৰাজ্য চৰকাৰৰ নিৰ্দেশনাত গৰজি উঠিল জাতীয় দল-সংগঠন, অসমীয়া খবৰ কাকতে কা বিৰোধী আন্দোলন বিভ্ৰান্তিকৰ আখ্যা দি মাত্ৰ ৮ জনেহে আবেদন কৰাৰ দাবী মুখ্যমন্ত্ৰীৰ, দৈনিক অসম কাকতে নাগৰিকত্বৰ আবেদন আঠজনৰ, সাক্ষাৎকাৰলৈ দুজনহে, আমাৰ অসম কাকতে **কা** আন্দোলনৰ ভিত্তি অসত্য- **কা** বিৰোধী আন্দোলন চলিব, দা ছেন্টিনেল কাকতে Only eight people have applied for citizenship under CAA so far শিৰোনামেৰে বাতৰিটো পৰিবেশন কৰিছে। দা আছাম ট্ৰিবিউন কাকতে Drones tracking wildlife in flood-hit Kaziranga শীৰ্ষক এটা বাতৰি আলোকচিত্ৰসহ প্ৰধান বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত পৰিবেশন কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- তৃতীয়-চতুৰ্থবৰ্গৰ নিযুক্তি পৰীক্ষাৰ পাঠ্যক্ৰম প্ৰকাশ এছ এল আৰ চিৰ, ১৫ আগষ্টত পুনৰ এহেজাৰক নতুনকৈ দিব চাকৰি, ১০ দিনতে মেৰামতি কৰা হৈছে বানে ছিঙা মথাউৰি, বি বৰুৱা মহাবিদ্যালয়লৈ স্বায়ত্তশাসিত শিক্ষানুষ্ঠানৰ মৰ্যাদা, সোণ-ৰূপ-হীৰাৰ ভাণ্ডাৰ বিচাৰি খুলিল জগন্নাথৰ ৰত্ন ভাণ্ডাৰৰ দুৱাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত